**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025 **Time :** 1910
Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
**----------**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৱ'ন ডেৰ লেয়েনে আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়।

২। দেশত বিগত দুবছৰত কয়লাৰ সৰবৰাহ দুগুণলৈ বৃদ্ধি পাইছে বুলি কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰে।

৩। উত্তৰাখণ্ডৰ চাম'লি জিলাৰ মানাৰ সমীপত হোৱা তুষাৰপাতৰ ফলত অঞ্চলটোত বাহৰ পাতি থকা ৫৭জন শ্ৰমিকৰ ১৬জনক উদ্ধাৰ কৰা হয়।

৪। উড়িয়া চলচ্চিত্ৰৰ বৰেণ্য অভিনেতা উত্তম মহান্তিৰ যোৱা নিশা গুৰগাঁৱৰ হাস্পতালত দেহাৱসান ঘটে।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ক্ৰিকেট প্ৰতিযোগিতাৰ লাহোৰত অনুষ্ঠিত গ্ৰুপ বিৰ এখন খেলত আফগানিস্তানে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৱ'ন ডেৰ লেয়েনে আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। এই আলোচনা কালছোৱাত দুয়োপক্ষই বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, স্বচ্ছ আৰু সেউজ শক্তি তথা মানুহৰ মাজৰ সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰে। ভাৰত আৰু ইউৰোপীয় আয়োগে ২০২৫ বৰ্ষৰ লগতে অনাগত বৰ্ষসমূহৰ বাবে এক অভিলাষী কাৰ্যসূচী নিৰ্ধাৰণ কৰিছে। আলোচনাৰ অন্তত এক যৌথ বিবৃতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ইউৰোপীয় আয়োগৰ মাজত দুটা দশক পুৰণি কৌশলগত অংশীদাৰিত্বৰ মূলতে দুয়ো দেশৰ মাজৰ সহযোগিতা, বিশ্বাস, গণতান্ত্ৰিক মূল্যবোধ, প্ৰগতি, সমৃদ্ধিৰ প্ৰতি থকা দায়বদ্ধতা বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে দুয়ো পক্ষৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, উদ্ভাৱন, নিৰাপত্তা, দক্ষতা আৰু গতিশীলতাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে এক খচৰা প্ৰস্তুত কৰা হৈছে বুলিও জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, ইউৰোপীয় আয়োগৰ অধ্যক্ষগৰাকী কালি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। তেওঁৰ সৈতে ইউৰোপীয় আয়োগৰ ২৭ গৰাকী আয়ুক্তৰ ভিতৰত ২২ গৰাকী আয়ুক্তও ভাৰতলৈ আহিছে। ইউৰোপীয় দেশসমূহৰ আয়ুক্তসকলক লৈ গঠিত কলেজ অব্ কমিছনাৰৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০

দেশত বিগত দুবছৰত কয়লাৰ সৰবৰাহ দুগুণলৈ বৃদ্ধি পাইছে। কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২২ চনত দেশত ৰে'লপথ আৰু সাগৰীয় পথেৰে সৰবৰাহ হোৱা ২৮ নিযুত মেট্ৰিক টনৰ পৰা

২০২৪ চনত কয়লাৰ পৰিমাণ ৫৪ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পায়। কেৱল ৰে'লপথেৰে কয়লা সৰবৰাহৰ তুলনাত সাগৰীয় পথেৰে পৰিবহন কৰা কয়লাৰ পৰিমাণ যথেষ্ট বৃদ্ধি পায়। মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে বৰ্তমান দেশৰ কয়লা খনিসমূহৰ পৰা উৎপাদিত কয়লা বিভিন্ন শক্তি উৎপাদন কেন্দ্ৰলৈ প্ৰথমে ৰে'ল, পাছত জাহাজ আৰু পুনৰ ৰে'লপথেৰে পৰিবহন কৰা হয়। এইদৰে কয়লা পৰিবহনৰ ক্ষেত্ৰত বিভিন্ন পৰিবহন ব্যৱস্থাৰ সহায় লোৱাৰ ফলত দেশত কয়লা ইন্ধনৰ কাৰ্যকৰী ব্যৱহাৰ সুনিশ্চিত হৈছে বুলি সূত্ৰটোৱে লগতে প্ৰকাশ কৰে।

০০০০

উত্তৰাখণ্ডৰ চামলি জিলাৰ মানাৰ সমীপত হোৱা তুষাৰপাতৰ ফলত অঞ্চলটোত বাহৰ পাতি থকা ৫৭জন শ্ৰমিকৰ ১৬জনক উদ্ধাৰ কৰা হৈছে। ভাৰত তীববত সীমান্ত আৰক্ষী, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনী আৰু ভাৰতীয় সেনাৰ জোৱানসকলে আবদ্ধ শ্ৰমিকসকলক উদ্ধাৰ কৰিবলৈ প্ৰচেষ্টা চলাই আছে। ভাৰতীয় সেনাৰ জোৱানসকলে উদ্ধাৰ অভিযান চলাই আছে যদিও প্ৰচণ্ড তুষাৰপাত আৰু বেয়া বতৰৰ বাবে এই অভিযান প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে উদ্ধাৰ অভিযান অব্যাহত ৰখাৰ বাবে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টা চলাই আছে বুলি প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, তুষাৰপাতত আবদ্ধ হৈ থকা শ্ৰমিকসকল সুৰক্ষিতভাৱে উদ্ধাৰ কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব। শ্ৰীশ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে তেওঁ উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামি, ভাৰত-তীববত সীমান্ত আৰক্ষীৰ মহানিৰ্দেশক আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ মহানিৰ্দেশকৰ সৈতে এই সন্দৰ্ভত বাৰ্তালাপ কৰিছে। তেওঁ কয় যে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ দুটা দল শীঘ্ৰেই ঘটনাস্থলীত উপস্থিত হ'ব।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি বিধানসভাত আম আদমী পাৰ্টীৰ কাৰ্যকালৰ জনস্বাস্থ্য আন্তঃগাঁথনি আৰু স্বাস্থ্য সেৱা সন্দৰ্ভত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ এখন প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনখনত কোভিডৰ সময়ত পূৰ্বৰ চৰকাৰে ধন সঠিকভাৱে ব্যৱহাৰ নকৰাৰ লগতে প্ৰয়োজনসমূহ সঠিক সময়ত পূৰণ নোহোৱা আৰু চিকিৎসালয়সমূহত ঔষধ আৰু স্বাস্থ্য কৰ্মীৰ অভাৱ হোৱা বুলিও অভিযোগ উত্থাপন কৰে। কোভিডৰ সময়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ প্ৰায় ৭শ ৮৮ কোটি টকা মুকলি কৰি দিছিল যদিও আপ চৰকাৰে মাত্ৰ ৫শ ৪৩ কোটি টকাহে ব্যৱহাৰ কৰিছিল বুলি প্ৰতিবেদনখনত অভিযোগ দাখিল কৰে। ভাৰতীয় জনতা পাৰ্টীৰ বিধায়ক হৰিশ খুৰানাই কয় যে আম আদমী পাৰ্টীয়ে তিনিখন নতুন চিকিৎসালয় নিৰ্মাণ কৰাত পলম কৰা বাবে ৩৮২ কোটি টকাৰ ক্ষতি হয়। কেগৰ এই প্ৰতিবেদনৰ জৰিয়তে ২০১৬ৰ পৰা ২০২২ চনলৈ চিকিৎসালয়বোৰত এম্বুলেঞ্চ সেৱা হ্ৰাস পোৱাৰ তথ্য পোহৰলৈ অহা বুলি বিজেপিৰ সদস্য অজয় মহাবৰে অভিযোগ উত্থাপন কৰে। এই প্ৰতিবেদনৰ ভিত্তিত দোষীসকলক উচিত শাস্তি প্ৰদান কৰিব লাগে বুলিও বিজেপিৰ সদস্যগৰাকীয়ে দাবী জনায়।

০০০০

উড়িয়া চলচ্চিত্ৰৰ বৰেণ্য অভিনেতা উত্তম মহান্তিৰ যোৱা নিশা গুৰগাঁৱৰ হাস্পতালত মৃত্যু হয়। লিভাৰ চিৰ'চিছ ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰা অভিনেতাগৰাকীৰ শেষকৃত্য আজি সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সত্যনগৰ শ্মশানত সম্পন্ন কৰা হ'ব। উড়িয়া চলচ্চিত্ৰ উদ্যোগৰ উজ্জ্বল নক্ষত্ৰ উত্তম

মহান্তিয়ে ১৩৫খন উড়িয়া চলচ্চিত্ৰত অভিনয় কৰি আঞ্চলিক চলচ্চিত্ৰৰ ক্ষেত্ৰত এক উল্লেখযোগ্য কীৰ্তি স্থাপন কৰিছে। তেওঁ ৩০খনকৈ বঙালী ভাষাৰ ছবিত অভিনয় কৰাৰ লগতে **নয়া জহৰ** শীৰ্ষক এখন হিন্দী চলচ্চিত্ৰতো অভিনয় কৰিছিল। অভিনেতাগৰাকীয়ে চলচ্চিত্ৰৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰাৰ লগতে তেওঁ অনন্য অভিনয়শৈলীৰে দৰ্শকৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। তেওঁৰ মৃত্যুৰ লগে লগে উড়িয়া চলচ্চিত্ৰ জগতৰ এটা অধ্যায়ৰ সামৰণি পৰে। স্বাভাৱিক তথা সাৱলীল অভিনয়েৰে দৰ্শকৰ মাজত জনপ্ৰিয় হৈ পৰা উড়িয়া চলচ্চিত্ৰৰ বিশিষ্ট অভিনেতা উত্তম মহান্তিয়ে মৃত্যুৰ সময়ত তেওঁৰ পত্নী তথা বিশিষ্ট অভিনেত্ৰী অপৰাজিতা মহান্তি আৰু পুত্ৰ তথা উড়িয়া চলচ্চিত্ৰৰ তাৰকা অভিনেতা বাবুছনক এৰি থৈ যায়।

ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে অভিনেতাগৰাকীৰ মৃত্যুত গভীৰ শ্ৰদ্ধা নিবেদন কৰে। অভিনেতাগৰাকীৰ গুণমুগ্ধসকলে  শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে তেওঁৰ নশ্বৰ দেহ নিজ বাসভৱনত ৰখা হৈছে।

০০০০

নেপালৰ সিন্ধু পালচুকত আজি পুৱতি নিশা সংঘটিত ৬ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত কাঠমাণ্ডু উপত্যকা আৰু ইয়াৰ কাষৰীয়া অঞ্চলত জোকাৰণিৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় ভূমিকম্প নিৰীক্ষণ আৰু গৱেষণা কেন্দ্ৰৰ মতে সিন্ধু পালচুক জিলাৰ ভৈৰৱকুণ্ড এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ভূমিকম্পৰ ফলত বাম্‌টি প্ৰদেশৰ ডুগুনাগাধিত ভূমিস্থলন সংঘটিত হয়। ভূমিকম্পৰ আতংকত বাহিৰলৈ ওলাই অহাৰ সময়তে কাঠমাণ্ডুত দুজন লোক আহত হয়। ঘটনাৰ পৰ্যবেক্ষণৰ বাবে নেপাল সেনাৰ নিৰাপত্তা দল, নেপাল আৰক্ষী আৰু সশস্ত্ৰ আৰক্ষীৰ লোক মোতায়েন কৰা হৈছে। কৰ্তৃপক্ষই স্থানীয় লোকক নিৰাপদ স্থানত অৱস্থানৰ বাবে আহ্বান জনাইছে।

০০০০

পাকিস্তানৰ খাইবাৰ পাখ্‌তুনখা অঞ্চলত থকা এটা মছজিদত শুকুৰবাৰৰ নামাজৰ সময়ত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৫জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২০জন লোক আহত হয়। সংবাদ মাধ্যমত প্ৰকাশ পোৱা প্ৰতিবেদন অনুসৰি মছজিদটোৰ মূল গৃহত এজন আত্মঘাতী বোমাৰুৱে প্ৰৱেশ কৰি নামাজ শেষ হোৱাৰ সময়ত নিজেই বিস্ফোৰণ ঘটায়। এই বিস্ফোৰণত জমিয়ত উলেমা ইছলামৰ এটা ফৈদৰ মুৰব্বী হামিদুল হক হাক্কানীৰ প্ৰাণহানি হোৱা বুলি দেশখনৰ সংবাদ মাধ্যমে দাবী কৰিছে। এই বিস্ফোৰণৰ খবৰ পোৱাৰ লগতে বিস্ফোৰণস্থলীত উদ্ধাৰকাৰী দল উপস্থিত হৈ মৃতদেহসমূহ আঁতৰ কৰাৰ লগতে আহতসকলক হাস্পতাললৈ প্ৰেৰণ কৰিছে। নাওচেৰা আৰু পেছোৱাৰ দুয়োখন হাস্পতালতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীৰ ক্ৰিকেট প্ৰতিযোগিতাৰ লাহোৰত অনুষ্ঠিত গ্ৰুপ বিৰ এখন খেলত আজি আফগানিস্তানে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৭৩ ৰান সংগ্ৰহ কৰে। আফগানিস্তানৰ হৈ ছেদিকুল্লা অটলে সৰ্বাধিক ৮৫ ৰান কৰে। অষ্ট্ৰেলিয়াৰ দ্বাৰছুইছে তিনিটা উইকেট দখল কৰাৰ লগতে জনছন আৰু জাম্পাই দুটাকৈ উইকেট দখল কৰে। অষ্ট্ৰেলিয়াই আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৭ অভাৰত ১টা উইকেট হেৰুৱাই ৬৭ ৰান কৰি খেলি আছে।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলত ভাগ ল'বলগীয়া দল দুটাৰ উভয়েই ৬ পইণ্টকৈ অধিকাৰ কৰিছে যদিও নেট ৰান ৰেটৰ আধাৰত মুম্বাই ইণ্ডিয়ানছে তালিকাত অধিক অগ্ৰগতি লাভ কৰিছে।

যোৱা নিশা বেংগালুৰুত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত গুজৰাট জায়েণ্টছ দলটোৱে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰিবলৈ লৈ বেংগালুৰুৰ দলটোৱে ৭ উইকেটৰ বিনিময়ত ১২৫ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাটৰ দলটো ৪টা উইকেট হেৰুৱাই ১৬ অভাৰ আৰু ৩ টা বলতেই বিজয় লক্ষ্যত উপনীত হয়। গুজৰাট জায়েণ্টছৰ অধিনায়ক  অশ্বলেঘ গাৰ্ডনাৰক প্লেয়াৰ অব দ্যা মেটছৰ সন্মান প্ৰদান কৰা হয়। খেলখনত তেওঁ ৩১টা বলত ৫৮ ৰান সংগ্ৰহ কৰি নিজ দলৰ বিজয় নিশ্চিত কৰে।

০০০০

সমাপ্ত